**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------------------------------

১। ৰাজ্য চৰকাৰৰ উদ্যোগত অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ আয়োজিত **ভাষা গৌৰৱ সপ্তাহ**ৰ সৈতে নাগৰিক সমাজক জড়িত কৰাবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান।

২। আজি ৰাজ্যজুৰি কাতি বিহু পালনৰ আয়োজন।

৩। ২০২৫-২৬ বৰ্ষৰ বিপণন ঋতুৰ বাবে ৰবি শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধিৰ প্ৰস্তাৱত কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন।

৪। ৰাজ্যত আসন্ন উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ প্ৰস্তুতি।

**আৰু**

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম দিনৰ খেল কালি বৰষুণৰ বাবে বাতিল হোৱা পাছত আজি দ্বিতীয় দিনাৰ খেল।

oooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই **ভাষা গৌৰৱ সপ্তাহ**ৰ লগত সংগতি ৰাখি ৰাজ্যিক পৰ্যায়ত আলোচনাচক্ৰ, কৰ্মশালা, কুইজ, ৰচনা প্ৰতিযোগিতাৰ লগতে অন্যান্য প্ৰতিযোগিতা অনুষ্ঠিত কৰি ৰাজ্যৰ নাগৰিক সমাজক ইয়াৰ সৈতে জড়িত কৰাবলৈ ৰাজ্য চৰকাৰৰ বিষয়াসকলক আহ্বান জনায়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ৰাজ্য চৰকাৰে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালন কৰিব। এই সপ্তাহৰ কাৰ্যসূচী হিচাপে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আৰু নাগৰিক সমাজৰ সংগঠনসমূহৰ সহায়ত অসমীয়া সাহিত্যিক, পণ্ডিতসকলৰ অৱদানক সন্মান জনোৱা হ'ব। ভাষা গৌৰৱ সপ্তাহ উদযাপন সন্দৰ্ভত এইখিনিতে আমি মুখ্যমন্ত্ৰীগৰাকীৰ বক্তব্য আগবঢ়াইছো।

ভইচ কাষ্ট

oooooo

আজি কাতি বিহু। পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি আৰু আকাশবন্তি জ্বলাই কৃষিজীৱী ৰাইজে সেৱা জনাব। আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি কৃষকসকলে শস্য শ্যামলা পথাৰৰ আশাৰে প্ৰাৰ্থনা জনায়। ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাতি বিহু পালনৰ প্ৰস্তুতি চলিছে। কাতি বিহু উপলক্ষে তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে ভঁৰালঘৰ, গোহালি, পদূলি আদিত চাকি বন্তি জ্বলাই কৃষিজীৱী ৰাইজে মংগল কামনা কৰিব। ৰাজ্য চৰকাৰৰ নিৰ্দেশমৰ্মে আজি কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ সম-জিলা আৰু

মহকুমাসমূহত কাতি বিহু পালন কৰা হ'ব। ইয়াৰ লগতে বিভাগীয় আঁচনিসমূহৰ বিষয়ে সজাগতা বৃদ্ধিৰ উদ্দেশে সজাগতা সভাৰো আয়োজন কৰা হৈছে। তদুপৰি কৃষি বিভাগে তুলসী তলত বন্তি প্ৰজ্বলন আৰু শৰাই দিয়াৰ লগতে পথাৰত আকাশবন্তি প্ৰজ্বলনৰ কাৰ্যসূচীও গ্ৰহণ কৰিছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বিবৃতিযোগে শ্ৰী আচাৰ্যই কয় যে, অসম যিহেতু কৃষি সংস্কৃতিৰে সমৃদ্ধ আৰু ৰাজ্যখনৰ বৃহৎসংখ্যক লোক কৃষিৰ ওপৰতেই নিৰ্ভৰশীল, সেয়েহে কাতি বিহুৰ গুৰুত্ব অপৰিসীম। এই বিহুত তুলসীৰ তলত জ্বলোৱা মাটিৰ চাকিয়ে তুলসীৰ সৈতে আমাৰ অন্তৰ্নিহিত সম্পৰ্কক সূচায় বুলি তেওঁ মত প্ৰকাশ কৰে।

ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাতি বিহু উপলক্ষে শস্য শ্যামলা পথাৰত কৃষকৰ সপোন উজলি উঠাৰ আশাৰে ৰাজ্যবাসীক ওলগ জনাইছে।

ৰাজ্যৰ আন বিভিন্ন স্থানৰ লগতে বৰপেটা জিলাতো আজি কাতি বিহুৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত আমাৰ সংবাদদাতা অৰূপ কুমাৰ মহন্তই এইদৰে কয়-

**ভইচ**

একেদৰে মৰিগাঁও, দৰং, শিৱসাগৰ, গোলাঘাট, মাজুলী আদি জিলাতো কাতি বিহু পালন কৰিবলৈ লোৱা হৈছে বুলি আকাশবাণীৰ সংশ্লিষ্ট অঞ্চলৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

০০০০০০

শিৱসাগৰৰ বৰ্ডিং খেলপথাৰত ১০-দিনীয়াকৈ আয়োজিত গ্ৰন্থ উৎসৱৰ আজিৰ কাৰ্যসূচীত **ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ কবিতাত অসম প্ৰকৃতি আৰু ঐতিহ্যদ্যুতি** শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি দিনৰ ১১ বজাত আয়োজিত এই অনুষ্ঠানত আমগুৰিৰ আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ইন্দ্ৰকমল ফুকনে বক্তৃতা আগবঢ়াব। গ্ৰন্থমেলা উপলক্ষে আয়োজিত অনুষ্ঠানৰ অংশ হিচাপে সন্ধিয়া বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। কালিৰ অনুষ্ঠানত অন্যান্য কাৰ্যসূচীৰ লগতে **জীৱনৰ লক্ষ্য আৰু অৰ্থ** বিষয়ক লৈ শিক্ষাৰ্থীৰ সৈতে বাৰ্তালাপ অনুষ্ঠিত হয়।

আকাশবাণীৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীয়ে জনোৱা মতে যোৱা ১৫ অক্টোবৰত আৰম্ভ হোৱা এই গ্ৰন্থ উৎসৱলৈ ক্ৰেতা তথা পঢ়ুৱৈৰ উৎসাহজনক সঁহাৰি পৰিলক্ষিত হৈছে। প্ৰতিদিনে পুৱা ১০ বজাৰ পৰা নিশা ৯ বজালৈ মুকলি ৰখাৰ ব্যৱস্থা কৰা এই গ্ৰন্থ উৎসৱত ৭০টাৰো অধিক প্ৰকাশন গোষ্ঠী আৰু গ্ৰন্থ বিক্ৰেতা প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে। শিৱসাগৰৰ বেচৰকাৰী সংস্থা **খোজ**ৰ উদ্যোগত অনুষ্ঠিত এই গ্ৰন্থ উৎসৱৰ সন্দৰ্ভত বক্তব্য আগবঢ়াইছে সংস্থাটোৰ সম্পাদক জয়জ্যোতি গগৈয়ে।

ভইচ কাষ্ট

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি অনুষ্ঠিত কেবিনেট সমিতিয়ে ২০২৫-২৬ বৰ্ষৰ বিপণন ঋতুৰ বাবে ৰবি শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনাইছে। ৰেপছিড আৰু সৰিয়হৰ বাবে এম এছ পিৰ সৰ্বাধিক বৃদ্ধি প্ৰতি কুইণ্টলত ৩০০ টকা আৰু মচুৰ মাহৰ প্ৰতি কুইণ্টলত ২৭৫ টকাকৈ বৃদ্ধিৰ

ঘোষণা কৰা হৈছে। বুট, ঘেঁহু, বাৰ্লি আদি মুঠ ৬ বিধ ৰবি শস্যৰ এম এছ পি বৃদ্ধি কৰা হৈছে। এই সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এইদৰে কয় -

**বাইট**

০০০০০০

ৰাজ্যৰ ৫টা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে সমষ্টিকেইটাত বিজেপি, কংগ্ৰেছ, অগপ, এ আই ইউ ডি এফ, তৃণমূল কংগ্ৰেছ, বিপিএফ, ইউ পি পি এলকে ধৰি বিভিন্ন ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা বিধানসভাৰ আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। সকলো ৰাজনৈতিক দলে নিজ নিজ দলৰ হৈ নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছে।

ইপিনে ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা অসম গণ পৰিষদৰ দলৰ সভাপতি অতুল বৰাই আগন্তুক উপ নিৰ্বাচনত বঙাইগাঁও সমষ্টিৰ পৰা মিত্ৰজোঁটৰ সমৰ্থিত অগপৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি প্ৰকাশ কৰিছে। নেতাগৰাকীয়ে এই সন্দৰ্ভত কালি বঙাইগাঁৱত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। আনহাতে চিদলী বিধানসভা সমষ্টিত মিত্ৰজোঁটৰ সমৰ্থিত ইউ পি পি এলৰ প্ৰাৰ্থীগৰাকীলৈ অগপ দলে পূৰ্ণ সমৰ্থন আগবঢ়াব বুলিও শ্ৰী বৰাই জানিবলৈ দিছে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই কালি এখন সংবাদমেল আয়োজন কৰি ৰাজ্যবাসীয়ে সন্মুখীন হোৱা বিভিন্ন সমস্যাক আগত লৈ উপ নিৰ্বাচনত ৰাইজৰ কাষ চাপিব বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ভাৰতৰ নিৰ্বাচন আয়োগে দেশৰ মুঠ ৪৮টা বিধানসভা সমষ্টি আৰু দুটা লোকসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। ইয়াৰে অসমকে ধৰি দেশৰ ভিন ভিন ৰাজ্যৰ ৪৭টা বিধানসভা সমষ্টি আৰু কেৰালাৰ ৱায়নাড বিধানসভা সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত আৰু উত্তৰাখণ্ডৰ এটা বিধানসভা সমষ্টি আৰু মহাৰাষ্ট্ৰৰ এটা সংসদীয় সমষ্টিৰ বাবে ২০ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ত্ৰিদেশীয় ভ্ৰমণসূচীৰ তৃতীয় তথা অন্তিম পৰ্যায়ত আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে মলাৱিত উপস্থিত হৈছে। ভ্ৰমণকালত তেওঁ দেশখনৰ নেতৃবৰ্গৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব আৰু দেশখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলকো সাক্ষাৎ কৰিব। আফ্ৰিকাৰ বিভিন্ন দেশৰ সৈতে ভাৰতৰ সম্পৰ্কৰ সম্প্ৰসাৰণ আৰু সুদৃঢ়কৰণেই হ'ল তেওঁৰ এই যাত্ৰাৰ মূল উদ্দেশ্য।

ৰাষ্ট্ৰপতিগৰাকী কালি ম'ৰিটানিয়াৰ ৰাষ্ট্ৰপতি মহম্মদ আউল্ড গজৌৱানীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। তেওঁ লগতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাতো ভাগ লয়। দুয়োখন দেশে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে চাৰিখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে কালি জনতা ভৱনৰ মূল প্ৰৱেশদ্বাৰৰ সমীপত উৎকোচ লোৱা অৱস্থাত আবকাৰী বিভাগৰ অধীক্ষক কাৰ্যালয়ৰ এজন বিষয়াক গ্ৰেপ্তাৰ কৰিছে। পাৰ্থ হাজৰিকা নামৰ এই বিষয়াজনে বাৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ নামত এজন লোকৰ পৰা উৎকোচ দাবী কৰিছিল। গ্ৰেপ্তাৰ কৰা

বিষয়াজনক সঞ্চালকালয়ে জেৰা কৰাৰ লগতে তেওঁৰ বাসগৃহত কেইবাঘণ্টা ধৰি অভিযান চলাই ৪৭ লাখ ৩০ হাজাৰ ৫০০ টকা জব্দ কৰে বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত তিনিখনীয়া টেষ্ট ক্রিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম দিনৰ খেল কালি বৰষুণৰ বাবে  বাতিল হোৱা পাছত আজি দ্বিতীয় দিনাৰ খেল আৰম্ভ হ'ব। বাংগালুৰুৰ এম ছিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলখন আজি নিৰ্ধাৰিত সময়ৰ পূৰ্বে আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। ভাৰত সম্প্রতি আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত শীৰ্ষত আছে আৰু এই শৃংখলাত জয়ী হ'লে একেৰাহে তৃতীয়বাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত ফাইনেলত প্ৰবেশ কৰাৰ সম্ভাৱনা প্ৰৱল হৈ উঠিব। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে ২০১২-১৩ খেলবৰ্ষৰ পাছত দেশৰ মাটিত একেৰাহে ১৯ সংখ্যক শৃংখলা জয়ৰ লক্ষ্যৰে শৃংখলাত অৱতীৰ্ণ হ'ব।

শৃংখলাৰ দ্বিতীয়খন খেল অহা ২৪ৰ পৰা ২৮ অক্টোবৰলৈ পুণেৰ মহাৰাষ্ট্ৰ ক্রিকেট এছ'চিয়েচন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। তৃতীয় তথা অন্তিমখন খেল অহা ১ৰ পৰা ৫ নৱেম্বৰলৈ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০০০

ভাৰত আজি নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত মহিলাৰ ছাফ ফুটবল প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় দলৰ অধিনায়ক আশালতা দেৱীয়ে আজি দেশৰ হৈ তেওঁৰ খেলুৱৈ জীৱনৰ এশসংখ্যক খেলত ভাগ ল'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৫ বাজি ১৫ মিনিটত আৰম্ভ হ'ব।

০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দেশৰ ভিতৰতে দ্বিতীয় সৰ্বাধিক প্ৰজাতিৰ পখিলাৰ বিচৰণথলী হিচাপে চিহ্নিত হৈছে বুলি এটা বাতৰি **দৈনিক অসম** কাকতে কাজিৰঙাত দেশৰ দ্বিতীয় সৰ্বাধিক প্ৰজাতিৰ পখিলা ড০ মনচুন জ্যোতি গগৈৰ গৱেষণা, অভিনন্দন মুখ্যমন্ত্ৰীৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমেৰিকাৰ ষ্টিভেন্স ইনষ্টিটিউট অব টেকনোলজীয়ে কৰা গৱেষণাৰ জৰিয়তে হতাশাত ভোগা ব্যক্তিসকলক চিনাক্তকৰণৰ বাবে মোবাইল এপ উদ্ভাৱন কৰাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে কৃত্ৰিম বুদ্ধিমত্তাৰে মোবাইল ফোনেৰে চিনাক্ত কৰিব হতাশাত ভোগা ব্যক্তি, আমেৰিকাত অসমৰ গৱেষকৰ সাফল্য, অধ্যাপক চাংৱন বাৰেৰ নেতৃত্বত হোৱা গৱেষণাৰ সহযোগী বাইহাটা চাৰিআলিৰ ৰাহুল ইছলাম শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। আমেৰিকাৰ বণ্ডৰ হাৰ হ্ৰাস আৰু বিশ্বজুৰি অব্যাহত থকা অস্থিৰতাৰ লগতে বিভিন্ন কাৰণত শ্বেয়াৰ বজাৰ নিম্নগামী হোৱাৰ বাতৰিক **আমাৰ অসম** কাকতে শ্বেয়াৰ বজাৰ খহিছে, সোণৰ দাম বাঢ়িছে, ইজৰাইল-হামাছৰ যুদ্ধও কাৰণ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সীমান্তৰ দুৰ্গম এলেকাত ক্ষেত্ৰভিত্তিক জৰীপৰ অন্তত সদৌ অৰুণাচল প্ৰদেশ ছাত্ৰ সন্থাই এল অ' চি সংলগ্ন ভাৰতৰ মাটিত চীনে আগ্ৰাসন অব্যাহত ৰখা বুলি তোলা অভিযোগৰ বাতৰি নিয়মীয়া বাৰ্তা কাকতে অৰুণাচলৰ ৬০ কিলোমিটাৰ ভিতৰত শিবিৰ পাতি বহিছে ৰঙা চীনৰ সৈন্যবাহিনীয়ে শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে। আনহাতে, উত্তৰ পূৰ্বাঞ্চলৰ সবাতোকৈ বৃহৎ নদী ব্ৰহ্মপুত্ৰৰ উৎপত্তিস্থলত চীনে বৃহৎ বান্ধ নিৰ্মাণৰ পৰিকল্পনা কৰিছে বুলি এটা বাতৰি অসমীয়া খবৰ কাকতে ৬০ হাজাৰ মেগাৱাট সম্পন্ন বিশ্বৰ

সবাতোকৈ বৃহৎ জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ আঁচনি কাৰ্যকৰী কৰাৰ দিশে ড্ৰেগনৰ ৰাষ্ট্ৰ, মহাবাহু ব্ৰহ্মপুত্ৰৰ জলৰাশিক অস্ত্ৰ হিচাপে ব্যৱহাৰ চীনৰ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

অ' এন জি চিৰ বিষয়া-কৰ্মচাৰীক আলফা স্বাধীনে অপহৰণৰ বাবে চলোৱা পৰিকল্পনা ব্যৰ্থ হোৱা বুলি এটা বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় কৰ্মচাৰীৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধিৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। নিৰ্বাচনৰ পাছতেই চাহপাতৰ দাম হ্ৰাস পোৱাৰ ফলত ক্ষুদ্ৰ চাহ খেতিয়কসকল ক্ষতিগ্ৰস্ত হোৱা বুলি এটা বাতৰি দ্য ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী হিচাপে ওমৰ আব্দুল্লাৰ শপত গ্ৰহণৰ বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশিত বাতৰিসমূহৰ ভিতৰত আছে ভেটী লওঁতে গ্ৰেপ্তাৰ হ'ল আবকাৰি বিষয়া, ড০ কুলধৰ শইকীয়ালৈ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা বঁটা, মাজুলী সত্ৰ, মঞ্চত ৰাসলীলাৰ নাটমেলা পৰ্ব আৰম্ভ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিৰ চমু অৱলোকন।

০০০০০০

সমাপ্ত